# ASSAMESE

***(Second Language)***

***Maximum Marks : 80***

***Time Allowed : Three Hours***

---

***Answers to this Paper must be written on the paper provided separately.***

*You will **not** be allowed to write during the first **15** minutes.*

*This time is to be spent in reading the question paper.*

***The time given at the head of this Paper is the time allowed for writing the answers.***

---

*This paper comprises of two Sections : **Section A** and **Section B.***

*Attempt **all** the questions from **Section A.***

*Attempt **four** questions from **Section B**, answering at least **one** question each from **two** books you have studied and **any two** other questions from the same books you have compulsorily chosen.*

*The intended marks for questions or parts of questions are given in brackets [ ].*

---

## SECTION A (40 Marks)

*Attempt **all** questions from this Section.*

**Question 1**

Write a short composition in **Assamese** of approximately **250** words on any **one** of the following topics :— [15]

তলত দিয়া যিকোনো **এটা** বিষয় বাচি লৈ আনুমানিক **২৫০** টা শব্দৰ বিতৰত এখনি ৰচনা লিখা।

(i) যতেই ইচ্ছা ততেই বাট---- Where there is will there is way ---- এই প্ৰবচন ফাকি ব্যৱহাৰ কৰি এটি গল্প নাইবা এখনি ৰচনা লিখা।

(ii) অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য অতুলনীয়। প্ৰতিটো ঋতুতে প্ৰকৃতিয়ে কেনে ৰূপ লয় সেই সম্পৰ্কে চমুকৈ লিখি তোমাৰ প্ৰিয় ঋতুটিৰ বিষয়ে বৰ্ণনা কৰা। (ছয় ঋতুত অসমৰ প্ৰকৃতিত কি কি পৰিবৰ্তন হয়, উৎসৱ- পাৰ্বণ, সেউজী আভৰণ, শুকান আৰু লঠঙা গছ- বিৰিখ, ফল-ফুল, জীৱ-জন্তু আদিৰ উল্লেখ কৰিবা।)

(iii) এটি মৌলিক (Original) গল্প লিখা যিটো গল্পৰ প্ৰথম নাইবা শেষৰ বাক্যটো হ'ব ---- " একো উপায় নেদেখি নিজকে নৰপিশাচ কেইটাৰ কবলৰ ৰক্ষা কৰিবলৈ অনুপমাই চলন্ত গাড়ীৰ পৰা জপিয়াই দিলে।"

(iv) আজিৰ যুৱ প্ৰজন্ম বৰ অস্থিৰ বুলি কোৱা হয়। তেওঁলোকৰ চৰিত্ৰত এক বিপ্লৱী মনোভাৱ দেখা যায়। এওঁলোকৰ হাততে আমাৰ দেশৰ সুৰক্ষিত ভৱিষ্যত।

---

**This Paper consists of 12 printed pages.**



Downloaded From www.icseboard.org

(v) তলত দিয়া ছবিখন ভালদৰে অধ্যয়ন কৰি সেই খনৰ লগত সম্বন্ধ ৰাখি এখনি **ৰচনা** নাইবা এটি **গল্প** লিখা। তোমাৰ লিখনিৰ সৈতে ছবিখনৰ সম্বন্ধ থাকিব লাগিব। লিখনিৰ আৰম্ভণিতে গল্প বা ৰচনাখনৰ শীৰ্ষক দিবলৈ নেপাহৰিবা।



## Question 2

Write a letter in **Assamese** in approximately **120** words on any **one** of the topics given below :— [7]

তলত দিয়া যিকোনো **এটা** বিষয় বাচি লৈ আনুমানিক **১২০** টা শব্দৰ ভিতৰত এখন চিঠি লিখা: —

**EITHER**

এইবাৰ বানপানীত তোমাৰ অঞ্চলত হোৱা অভাৱনীয় দুৰ্দশাৰ কথা বৰ্ণনা কৰি ক্ষতিগ্ৰস্ত হোৱা লোকৰ বাবে সাহায্য বিচাৰি তোমাৰ জিলাৰ উপায়ুক্তলৈ এখন আবেদন লিখা।

**OR**

বৰ্তমান মোবাইল, এছ্ এম্ এছ্, ফেচবুক, টুইটাৰ, ইনষ্টাগ্ৰাম আদিৰ যুগত তুমি এজন পত্ৰবন্ধুৰ লগত নতুনকৈ বন্ধুত্ব গঢ়ি তুলিছা। উক্ত বন্ধুজনৰ সৈতে মোবাইলত সংযোগ ৰখাৰ উপৰিও বেছিভাগ সময়ত চিঠিৰে যোগাযোগ কৰি তুমি আনন্দ লাভ কৰাৰ লগতে কেনেদৰে উপকৃত হৈছা বা বন্ধুজনে তোমাৰ জীৱনত কেনেদৰে প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে সেই কথা বিবৰি তোমাৰ বন্ধুজনলৈ কৃতজ্ঞতা জনাই এখনি পত্ৰ লিখা। চিঠিত নাম আৰু ঠিকনা লিখিবলৈ নাপাহৰিবা।

Downloaded From www.icseboard.org

**Question 3**

Read the passage given below and answer in **Assamese** the questions that follow, using your own words as far as possible :—

তলাত দিয়া কথাংশ পঢ়ি চোৱা আৰু লগত দিয়া প্ৰশ্ন সমূহৰ উত্তৰ যিমান পাৰা নিজৰ ভাষাত দিবলৈ চেষ্টা কৰা: —

“আমি সকলোৱেই আমাৰ দৈনন্দিন জীৱনৰ অভিজ্ঞতাক এটি মাধ্যমৰ জৰিয়তে বিনিময় কৰো; সেই মাধ্যমসমূহৰ জৰিয়তে আমাৰ মনোভাৱ প্ৰকাশ কৰাকে যোগোযোগ বুলি কোৱা হয়। আমাৰ অঙ্গী-ভঙ্গী, আমাৰ কথা কোৱাৰ পদ্ধতি ইত্যাদিয়ে যোগাযোগৰ বিভিন্ন মাধ্যম। জীৱনত কেতিয়াবা আমাক কোনো সামগ্ৰীৰ প্ৰয়োজন হলে তক প্ৰকাশ কৰাৰ বাবে আমাক এটি মাধ্যম্ৰ দৰকাৰ হয় আৰু যোগাযোগ হৈছে এটি উপায়। সহজ অৰ্থত যোগাযোগ মানে কথা কোৱা, পঢ়া, লিখা ইত্যাদি অন্তৰ্ভুক্ত। কোনো মাধ্যম যেনে লিখিত বাৰ্তা, অডিও, ভিডিও ইত্যাদি যোগাযোগৰ বিভিন্ন মাধ্যম। বিভিন্ন উপায়ৰ সহায়ক যেনে দিনে দিনে হোৱা নতুন আবিষ্কাৰ ইণ্টাৰনেট, মোবাইল ফোন ইত্যাদিয়ে আমাক যোগাযোগৰ ক্ষেত্ৰত যেন আৰু সুবিধাজনক কৰি তুলিছে। আজিকালি আমি পৃথিবীৰ কোন কোন কোণত কি কি চলিছে সেইয়া মাত্ৰ জানিব পাৰো এটা ক্লিকতে। এটা কেচুৱাই তৰ অন্যান্য প্ৰয়োজনৰ কথাৰে প্ৰকাশ কৰিব নাজানে, কিন্তু কন্দাৰ লগে লগেই কেচুৱাৰ মাক- দেউতাকে সময়ে সময়ে তাৰ চাহিদা বুজি প্ৰয়োজনীয় চাহিদা সমূহ পূৰণ কৰে। মূলতে, যোগাযোগ হল নিজকে প্ৰকাশ কৰাৰ এটি উপায়। যোগাযোগৰ ৱিভিন্ন মাধ্যম থাকিলেও তৰ ভিতৰত সকলোতকৈ গুৰুত্বপূৰ্ণ মাধ্যম হল মৌখিক বা কথা কোৱা। আমাৰ অঙ্গিভঙ্গিৰ জৰিয়তে আমি বহুবোৰ কথা প্ৰকাশ কৰিব পাৰো। তাৰ বাবে আমাক কথা কোৱাৰ প্ৰয়োজন নাই। আমাৰ কোনো নিৰ্দিষ্ট প্ৰয়োজনৰ কথা অঙ্গিভঙ্গি জৰিয়তে আমি প্ৰকাশ কৰিব পাৰো। ঈশ্বৰে আমাৰ সকলোকে কথা কোবাৰ শক্তি বা শুনাৰ শক্তি প্ৰদান কৰা নাই। যি সকল লোকে কথা কব নোৱাৰে তেওঁলোকৰ বাবে বিশেষ ভাষা বা SIGN LANGUAGE আছে। যাৰ সংকেতৰ সহায়েৰে তেওঁলোকে মানুহৰ লগত যোগোযোগ ৰাখিব পাৰে। আমি বিভিন্ন ধৰণৰ ফিল্ম, টিভি শ্ব চাই আমাৰ মনোৰঞ্জন কৰো। এজন ফিল্ম বা ভিডিও নিৰ্মাতাই তেওঁৰ বিচাৰ বা মনৰ ভাৱ এনেদৰেই ব্যক্ত কৰে আৰু আমি সহজেই বুজি পাও। সংগীত পৃথিৱীৰ এনে এক ভাষা যে সকলোৱে ইয়াক বুজিব পাৰে। সংগীত যোগাযোগৰ এনে এক শক্তিশালী মাধ্যম যে



Downloaded From www.icseboard.org

এজন দুখী মানুহকো আমি এটা সুন্দৰ গীত শুনাই তেওঁৰ মন আনন্দেৰে ভৰাই তুলিব পাৰো। আমাৰ বহুজনে কিবা এটা কৈ প্ৰকাশ কৰাতকৈ লিখিতভাৱে বেচি সুন্দৰভাৱে প্ৰকাশ কৰো। বিভিন্ন কবিৰ কবিতা ইয়াৰ প্ৰমাণ। বহু বোৰ কবিতাই আমাৰ মন - প্ৰাণ চুই যায়। আমি পঢ়া সাধুটো লিখকৰ প্ৰকাশভঙ্গীত যেন জীবন্ত হৈ উঠে। লিখিত মাধ্যম যোগাযোগৰ এক শক্তিশালী মাধ্যম। আমাৰ এই পৃথিৱীত যোগাযোগৰ বিভিন্ন মাধ্যম আছে। আমাৰ ওপৰত নিৰ্ভৰ কৰে আমি কোনবিধ মাধ্যমক আমাৰ যোগাযোগৰ মাধ্যম হিচাপে গ্ৰহণ কৰো।"

(i) যোগাযোগ কাক বোলে ? যোগাযোগৰ বিভিন্ন মাধ্যমসমূহ কি ? [2]

(ii) কি দুটা আধুনিক আৱিষ্কাৰে আমাক যোগাযোগৰ ক্ষেত্ৰখন যেন আৰু সুবিধাজনক কৰি তুলিছে? [2]

(iii) এটা কেচুৱাই তাৰ অন্যান্য প্ৰয়োজনৰ কথাৰে প্ৰকাশ কৰিব জানে নে মাক - দেউতাকে সময়ে সময়ে তাৰ চাহিদা সমূহ কেনেকৈ পূৰণ কৰে? [2]

(iv) যি সকল লোকে কথা কব নোৱাৰে তেওঁলোকে মানুহৰ লগত কেনেদৰে যোগাযোগ ৰাখিব পাৰে? [2]

(v) সংগীতে কেনেদৰে এজন দুখী মানুহৰ মন আনন্দেৰে ভৰাই তুলিব পাৰে ? [2]

**Question 4**

Choose and write the correct answer to the following questions : - [8]

তলত দিয়া প্ৰশ্নসমূহ ভালদৰে পঢ়া আৰু শুদ্ধ উত্তৰটো বিচাৰি উলিয়াই লিখা-

(i) তলত দিয়া কোনটো প্ৰবচন শুদ্ধ বাচি উলিওৱা---

(a) এনেয়ে বুঢ়ী নাচনী তাতে ভতিজাকৰ বিয়া

(b) এনেয়ে বুঢ়ী কথকী তাতে নাতিনীয়েকৰ বিয়া

(c) এনেয়ে বুঢ়ী নাচনী তাতে নাতিনীয়েকৰ বিয়া

(d) এনেয়ে বুঢ়ী ৰচকী তাতে জীয়েকৰ বিয়া

(ii) বৰষুণত খেতিয়কজন তিতি ----------- হৈছে।

(a) আউলি-বাউলি

(b) ইনাই-বিনাই

(c) জুৰুলি-জুপুৰি

(d) জধা-মধা



Downloaded From www.icseboard.org

(iii) বিপদ হোৱাৰ আগতেই মানুহে সতৰ্ক হৈ থকা উচিত। বিপদটো হৈ যোৱাৰ পিছত বিপদৰ পৰা হাত সৰাৰ উপায় চিন্তা কৰি একো লাভ নাই। তাকে কোৱা হয়---

(a) অভ্যাসৰ নৰ কৰ্ণপথে কৰে শৰ।

(b) চোৰ গলে বুদ্ধি বৰষুণ গলে জাপি

(c) হলা গঠত বাগি কুঠাৰ মৰা

(d) বিপদৰ বন্ধুহে প্ৰকৃত বন্ধু।

(iv) তলত দিয়া কোনটো বতাহ শব্দৰ সমাৰ্থক শব্দ নহয়----

(a) সমীৰ

(b) সমীৰণ

(c) সোঁৱৰণ

(d) অনিল

(v) তলত দিয়া কোনটো খণ্ডবাক্য শুদ্ধ নহয় বিচাৰি উলিয়াই লিখা----

(a) ফৰিং ফুটা বাখৰ

(b) ফৰিং ফুটা জোন

(c) ফৰিং ফুটা জোনাক

(d) ফৰিং ফুটা নিয়ৰ

(vi) হাট আৰু হাত শব্দ দুটাৰ ক্ৰমান্বয়ে অৰ্থ হৈছে-----

(a) শৰীৰৰ অংগ আৰু বজাৰ

(b) বজাৰ আৰু শৰীৰৰ অংগ

(c) ওপৰৰ দুয়োটাই শুদ্ধ

(d) ওপৰৰ আটাইকেইটাই অশুদ্ধ

(vii) বিহু অসমীয়াৰ-----

(a) সন্মান

(b) বাপতি সাহোন

(c) অপমান

(d) মান



Downloaded From www.icseboard.org

(viii) ৰাতিপুৱাই উঠি স্মৰণ কৰিবলগীয়া ব্যক্তি----

(a) চিৰস্মৰণীয়

(b) সদাস্মৰণীয়

(c) প্ৰাতঃস্মৰণীয়

(d) নিত্যস্মৰণীয়

## SECTION B (40 Marks)

*Questions from only **two** of the following textbooks are to be answered.*

*Attempt **four** questions from this Section.*

*You must answer at least **one** question from each of the **two** books you have studied and any **two** other questions from the same books that you have chosen.*

### ASOMIYA SUTI GALPAR PRABAH (Short Stories)

**Question 5**

**Read the extract given from the Story and answer the questions that follow :—**

তোমাৰ গল্পপুথি অসমীয়া চুটি গল্পৰ প্ৰবাহৰ কাশীবাসী নামৰ গল্পটিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা :—

**'লক্ষ্মীনাথ বেজবৰুৱা'**

"এনেতে দেখিলোঁ এৰীয়া কাপোৰৰ শাৰী পিন্ধা আশী বছৰমান বয়সীমা থপথপীয়া বুঢ়ী এজনীয়ে আমাৰ কাষ চাপি আহি আমাৰ মুখলৈ চাই সুধিছে, 'বাবা, তোমৰা কি অসমীয়া মানুহ? মই উত্তৰ দিলোঁ, হাঁ আমৰা আসাম দেশৰ লোক'।"

(i) বুঢ়ীৰ প্ৰশ্নৰ উত্তৰত মানুহজনে কি উত্তৰ দিলে আৰু বুঢ়ীয়ে তাৰ পিছত কি সুধিলে? [2]

(ii) বক্তাজনৰ আগত বুঢ়ীয়ে নিজৰ পৰিচয় কি বুলি দিলে? [2]

(iii) চন্দ্ৰকান্ত ৰজাৰ দিনত মানে অসমীয়া মানুহ কেনে অত্যাচাৰ কৰিছিল? [3]

(iv) কোম্পানীৰ সেনাপতি নিউভাইলে চিংফৌৰ হাতৰ পৰা বুঢ়ীক উদ্ধাৰ কৰি ঘৰৰ ফালে পঠিয়াই দিয়াৰ পিছত বুঢ়ী আনন্দিত হোৱাৰ পৰিৱৰ্তে মৰি যোৱাই ভাল আছিল বুলি কিয় মন্তব্য কৰিছিল। [3]

Downloaded From www.icseboard.org

## Question 6

**Read the extract given from the Story and answer the questions that follow :—**

তোমাৰ গল্পপুথি অসমীয়া চুটি গল্পৰ প্ৰবাহৰ "পাতমুগী" নামৰ গল্পটিৰ তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখাঃ-

'লক্ষ্মীনাথ বেজবৰুৱা'

"এই টো কি? মোক কিহে পালে ? মোৰ কি হল কোনবাই কব পাৰিবনে? মই হলে তাৰ মোৰ উলিয়াব নোৱাৰি বিমোৰত পৰিলো। অলপৰ আগলৈকে পিয়াহত লেৰেলি থকা পাতমুগীৰ মুখতো দেখোন মিচিকিয়া হাঁহি। তাইৰ হাত-ভৰিকেইটাও দেখোন আগতকৈ চতৰ-বতৰ। তাইৰ ভাগৰ-জোগৰখন কলৈ গল?"

(i) পাতমুগী কোন ? [2]

(ii) সেই সময়ত কুমাৰসকলে কি কৰি জীৱিকা নিৰ্বাহ কৰিছিল ? পূৰ্বৰ কুমাৰৰ বৃত্তি কিয় তেওঁলোকে এৰিব লগা হৈছিল ? [2]

(iii) ঔ টেঙা গছত উঠা দদায়েকৰ ভৰযৌৱনা পাতমুগীক দেখি মনৰ প্ৰতিক্ৰিয়া কেনে হৈছিল ? অনুতপ্ত হৈ তেওঁ ঘৰলৈ আহি কি কৰিলে ? [3]

(iv) পাতমুগীয়ে স্বামীৰ বিৰুদ্ধে কাছাৰীলৈ গোচৰ দিবলৈ গো কেচ্ নকৰো বুলি কৈ উভতি অহাৰ কাৰণ কি ? [3]

## Question 7

**Read the extract given from the Story and answer the questions that follow :—**

তোমাৰ গল্পপুথি অসমীয়া চুটি গল্পৰ প্ৰবাহৰ "এখন নদীৰ মৃত্যু" নামৰ গল্পটিৰ তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখাঃ-

**'মহিম বৰা'**

"ধনেশ্বৰে জলখন ---------- কলহৰ অৱশিষ্ট পানীখিনি কাঁকালৰ পৰা ভৰি দুখনত ঢালি ওচৰৰ তীৰত থকা গামোচাখনেৰে গাটো মাজে মাজে টুকি লৰালৰিকৈ শুকান চুৰীয়াখন পিন্ধি তিয়নি সলালে।"

(i) দুই ভৰিৰ খজুৱতি কমাবলৈ ধনেশ্বৰে ঘৈণীয়েকক কি খুজিলে ? [2]

(ii) আগৰ কলংনদীৰ কথা সুঁৱৰি ধনেশ্বৰে খণ্ডতে কি বুলি মন্তব্য দিছিল ? [2]

(iii) জয়ন্তীৰ বিয়াৰ প্ৰসংগত জয়ধনে কি মন্তব্য দিলে? [3]

(iv) কলংনদীৰ ওপৰত দলং হোৱাৰ কাৰণে সুদক্ষ গুৰিয়াল জয়ধনে পুৰণি কথাবোৰ সুঁৱৰি কি বুলি দুখ কৰিছিল ? [3]

Downloaded From www.icseboard.org

## SAUDOR PUTEKE NAAU MELI JAI (Novel)
সাউদৰ পুতেকে নাও মেলি যায় (হোমেন বৰগোহাঞি)

### Question 8

**Read the extract given from the Novel and answer the questions that follow :—**

তলত দিয়া তোমাৰ পাঠ্যপুথি "সাউদৰ পুতেকে নাও মেলি যায়" নামৰ উপন্যাসখনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখাঃ-

"আলিবাটৰ পৰা নামি পানীত ভৰি দিয়েই দুয়ো উস্ বুলি চিঞৰি উঠিল। আহাৰ মাহৰ জুই যেন ৰদত পানীখিনি প্ৰায় উতলা পানীৰ দৰে হৈছে, ভৰি দিবই নোৱাৰি। দুয়ো প্ৰায় দৌৰিবলৈ ধৰিলে। অলপ দূৰ গৈয়েই হেবাঙে হঠাৎ পানীৰ সোঁ- মাজতে উস্ উস্ বুলি অস্থিৰ হৈ জপিয়াবলৈ ধৰিলে।"

(i) অল্প দূৰ গৈয়েই হেবাঙে হঠাৎ পানীৰ সোঁ-মাজতে উস্ উস্ বুলি অস্থিৰ হৈ কিয় জপিয়াবলৈ ধৰিলে ? [2]

(ii) উতলাপানীৰ হোলাটো পাৰহৈ সিহঁত প্ৰতমে ক'ত ঠিয় হ'ল আৰু তাত ঠিয়হৈ কি কি দেখিলে আৰু কেনে অনুভৱ কৰিলে? [2]

(iii) চাৰিওফালৰ গছবোৰ দেখি বাপুকণৰ মনলৈ কেনে ভাৱ আহিছিল? [3]

(iv) ধুমুহাত বাগৰি পৰা গাঁৱৰ বৰগছজোপাৰ ভূ-লুণ্ঠিত হৈ থকা দৃশ্যটোৱে বাপুকণক ইমান দুখ কিয় দিয়ে ? [3]

### Question 9

**Read the extract given from the Novel and answer the questions that follow :—**

তলত দিয়া তোমাৰ পাঠ্যপুথি "সাউদৰ পুতেকে নাও মেলি যায়" নামৰ উপন্যাসখিনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখাঃ-

"পিয়াহত দুয়োৰে অষ্ঠ-কণ্ঠ শুকাই গৈছিল। হেবাঙে পৰম তৃপ্তিৰে সৈতে আঁজলিয়ে আঁজলিয়ে পানী খাবলৈ ধৰিলে। বাপুকণে দুই হাতৰ আঁজলি কৰি পানীখিনি মুখৰ ওচৰলৈ আনে আৰু কিবা এটা ভাবি আকৌ পেলাই দিয়ে। এনেকৈ সি কেইবাৰো কৰি থাকোতে কোনোবা এপাকত কাণ্ডটো হেবাঙৰ চকুত পৰিল।"

(i) মহঘুলি নৈত পানী খাবলৈ চেষ্টা কৰিও বাৰে বাৰে সংকোচ কৰি পেলাই দিয়াৰ কাৰণে কি? [2]

(ii) মহঘুলি নৈত সাতুৰি-নাদুৰি অৱশেষত বাপুকণ কি সিদ্ধান্ত ল'লে আৰু সেই কামত হেবাঙে তাক কেনেকৈ সহায় কৰিলে? [2]

(iii) হঠাতে বাহিৰত বাপুকণৰ দেউতাকৰ মাত শুনি বাপুকণৰ অৱস্থা কেনে হ'ল আৰু দেউতাকে হেবাঙৰ মাকক কোৱা কথাবোৰ শুনি সি তৎক্ষণাত কি কামটো কৰি পেলালে ? [3]

(iv) এইবোৰ দেখি-শুনি হেবাঙৰ মাকে সহজ-সৰল ভাষাত কি মন্তব্য দিলে? হেবাঙৰ মাকক বাপুকণৰ দেউতাকে যোৱাৰ আগে আগে কি কথা কৈ গ'ল ? [3]



Downloaded From www.icseboard.org

**Question 10**

**Read the extract given from the Novel and answer the questions that follow :—**

তোমাৰ পাঠ্যপুথি "সাউদৰ পুতেকে নাও মেলি যায়" নামৰ উপন্যাসখিনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখাঃ-

"মুহূৰ্তৰ এটা ক্ষুদ্ৰ ভগ্নাংশৰ ভিতৰতে বহুত ঘটনা একেলগে ঘটি গ'ল। এজনী সম্পূৰ্ণ অচিনাকি ছোৱালীৰ প্ৰায় গাত গা লগাকৈ মুখামুখি হ'ব লগা হোৱাত বিক্ৰম ইমান অপ্ৰস্তুত হৈ পৰিল যে সি ভিতৰলৈ সোমাই যাব নে দুৱাৰমুখৰ পৰাই ঘূৰি যাব একো ঠিক কৰিব নোৱাৰা হ'ল।'

(i) নবীন দদায়েকৰ ঘৰৰ দুৱাৰ মুখত বিক্ৰমে হঠাতে লগ পোৱা ছোৱালীজনী কোন ? [2]

(ii) তাইক দেখাৰ পিছত তাইৰ বিষয়ে জানিবলৈ কৌতূহলী হৈ সি কি কৰিছিল? [2]

(iii) হঠাতে বিক্ৰম চোতালত পৰাৰ কাৰণ কি ? পৰাৰ পিছতে বহু সময়লৈকে নুঠাৰ কাৰণ কি বুলি ভাবা ? [3]

(iv) পিছত ছোৱালীজনীয়ে তাক কেনে ধৰণে তুলি ধৰিলে ? সিহঁতৰ মাজত কিবা কথা-বতৰা হৈছিল নে ? এই ঘটনাটোৰ কথা ভাবি ভাবি বিক্ৰমে পিছত কেনে অনুভৱ কৰিছিল ? [3]

**কবিতা মঞ্জৰী (কবিতা)**

**KABITA MANJORI (Poems)**

**Question 11**

**Read the extract given from the Poem KABITA MANJORI and answer the questions that follow :—**

তোমাৰ পাঠ্যপুথি "কবিতা মঞ্জৰী" নামৰ কবিতা পুথিৰ 'দ্ৰৌপদী' নামৰ কবিতাটিৰ পৰা তুলি দিয়া কবিতাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখাঃ-

"মই ব্যতিক্ৰম ? নহয়, নহয়!
মই, মই যে মাথোঁ চিৰন্তন নাৰী,
যুগমীয়া ৰহস্যৰে ভৰা বিচিত্ৰ বৰ্ণালীৰ এক সহজ প্ৰকাশ !
মোৰ বাসনাত কোনো নতুনত্ব নাই,
আদিতমা নাৰীৰ মনৰ ৰং আৰু সুৰভিয়ে
মনৰ মজিয়াত মোৰ আল্পনা আঁকে।"

'নিৰ্মল প্ৰভা বৰদলৈ'



Downloaded From www.icseboard.org

(i) ‘দ্ৰৌপদী’ কবিতাত কবিয়ে দ্ৰৌপদীৰ মুখেৰে কোৱাইছে --- মই ব্যতিক্ৰম ? নহয়, নহয় --- কথাখিনিৰ মাজেদি দ্ৰৌপদীয়ে নিজকে কি হিচাবে তুলি ধৰিছে ? [2]

(ii) দ্ৰৌপদীয়ে নিজে স্বাকাৰ কৰা মতে তেওঁৰ দোষ কি ? এয়া সঁচাই তেওঁৰ দোষ নে ? [2]

(iii) ‘প্ৰাণৰ পত্ৰ জানো কেতিয়াবা ভৰে’ ---- কথাফাকিৰ দ্বাৰা দ্ৰৌপদীয়ে কি প্ৰাণৰ পাত্ৰ ভৰাৰ কথা কৈছে ? পঞ্চপাণ্ডৱৰ নাম এই প্ৰসঙ্গত কিয় উল্লেখ কৰা হৈছে ? [3]

(iv) কবিতাৰ শেষৰ ফালে কৰ্ণৰ কথা কৈ ষষ্ঠ পাণ্ডৱৰ কথা উল্লেখ কৰিছে ? কৰ্ণৰ কি গুণ দেখি তেওঁ আকৰ্ষিত হৈছে ? তেওঁৰ মনৰ গোপন কামনা কি ? [3]

**Question 12**

**Read the extract given from the Poem KABITA MANJORI and answer the questions that follow :—**

তোমাৰ পাঠ্যপুথি ‘‘কবিতা মঞ্জৰী’’ নামৰ কবিতা পুথিৰ ‘মালতী’ নামৰ কবিতাটিৰ পৰা তুলি দিয়া কবিতাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখাঃ-

‘‘পৰ্বতৰ জীয়ৰ সুন্দৰী গৌৰীৰ
সাঁচত মোৰ মালতী নাই,
নুশুঙা ফুলটিৰ নুফুলা কলিটিৰ
মালতীৰ তুলনা পায়।’’

**‘লক্ষীনাথ বেজবৰুৱা’**

(i) ‘মালতী’ কবিতাৰ আৰম্ভণীতে কবিয়ে প্ৰকৃতিৰ সৌন্দৰ্য কেনেদৰে ডাঙি ধৰিছে আৰু সেই সৌন্দৰ্যৰ তুলনাত মালতীৰ সৌন্দৰ্য কেনে বুলি কৈছে ? [2]

(ii) মালতী তেওঁ কাৰ কাৰ লগতা তুলনা কৰিছে ? [2]

(iii) মালতীৰ বাস্তৱৰূপ আছেনে ? মালতীৰ আচল ৰূপ কবিয়ে ক’ত দেখা পাইছে ? [3]

(iv) কবিতাটিৰ মাজেদি কবিৰ জীৱনৰ শেষ কামনা কি বুলি তেওঁ ব্যাখ্যা কৰিছে ? [3]

Downloaded From www.icseboard.org

## Question 13

**Read the extract given from the Poem KABITA MANJORI and answer the questions that follow :—**

তোমাৰ পাঠ্যপুথি ''কবিতা মঞ্জৰী'' নামৰ কবিতা পুথিৰ 'কেতেকী' নামৰ কবিতাটিৰ পৰা তুলি দিয়া কবিতাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখাঃ-

''স্বৰ্গৰ কোনোবা নন্দনবনত
আমাৰ বাবে নাই
মৃত্যুঞ্জয়ী অমৃতৰ গোপন ভাণ্ডাৰ। আমি মানুহ----
জাগতিক পঞ্চভূতজাত আমাৰ দীপ্তিমান শৰীৰক লাগে
নতুন মুকলি নো নীলা আকাশত হোৱা
অৰুণোদয়ৰ আলট্ৰা ভায়লেট ৰশ্মি----''

**'অমূল্য বৰুৱা'**

(i) কবিয়ে কবিতাটিত কিয় নিজকে বিপ্লৱী বুলি কৈছে ? [2]

(ii) জীৱনত জীয়াই থাকবলৈ কবিয়ে কোন আমাৰ প্ৰকৃত লগ বুলি কৈছে ? [2]

(iii) জীৱনত মানুহ হৈ জীয়াই থাকিবলৈ আমাক কি লাগে? [3]

(iv) কবিতাটিৰ মাজেদি খাটি খোৱা খেতিয়ক, মজদুৰৰ বাস্তৱ ছবি এখন কবিয়ে কেনেদৰে ফুটাই তুলিছে ? [3]

### KARENGAR LIGIRI (Drama) কাৰেঙৰ লিগিৰী (নামৰ)

**ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা**

## Question 14

**Read the extract given from the Drama and answer the questions that follow :—**

তোমাৰ পাঠ্যপুথি ''কাৰেঙৰ লিগিৰী'' নামৰ নাটকখিনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখাঃ-

''শেৱালী - মইনো বাৰু কেতিয়া কোঁৱৰক ভুলাবলৈ গাত লিপিত খুৱাই মেখেলা পিন্ধি পুৰিছিলো। কোঁৱৰক হেনো মই কিবা আহুদি কৰিলো। সেইহে হোনো কোঁৱৰে ন ঘৈণীৰ সতে আজি এমাহেও কথা এটাকে পতা নাই। এনেকৈ কৰিলে কেনেকৈ থাকিবি --- মই সেউজী --- কৰবাত পানীত পৰি --- (কান্দিবলৈ ধৰে)''

(i) উক্ত কথাবোৰ কোনে কাৰ আগত কৈছিল ? [2]

(ii) শেৱালিয়ে উক্ত কথাষাৰ কিয় কৈ বেজাৰ কৰিছিল আৰু কথাবোৰৰ অৰ্থ কি ? [2]

(iii) সেউজীয়ে সুন্দৰ কোঁৱৰৰ বৈবাহিক জীৱনৰ ওপৰত কি মন্তব্য দিলে ? [3]

(iv) সেউজীৰ কথাবোৰৰ উত্তৰত শেৱালিয়ে কি কলে ? শেৱালিৰ কথাবোৰৰ মাজেদি তেওঁৰ যে কোঁৱৰৰ প্ৰতি অহেতুক স্নেহ আছে তাক কেনেকৈ বুজিব পাৰি ? [3]



Downloaded From www.icseboard.org

## Question 15

**Read the extract given from the Drama and answer the questions that follow :—**

তোমাৰ পাঠ্যপুথি "কাৰেঙৰ লিগিৰী" নামৰ নাটকখিনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু তলত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখাঃ-

"ৰাজমাও- মোৰ তৰ্কবাগীশ পুত্ৰ ---- তই ইয়ালৈকে শাস্ত্ৰ পঢ়িলি। বেদ-বেদান্তই ইয়াকে কয় ? পুৰাণ ভাগৱতে মাতৃ আজ্ঞা লঙ্ঘন কৰিবলৈ কয় ? (বৰ অধৈৰ্য হৈ) মোৰ বাপ। আজি তিনিবছৰে মাৰক তিল তিলকৈ পুৰিছ। আৰুনো কিমান দিন মোক এনে কষ্ট দিবি ? তৰ্কৰে ৰাজ্য নচলে, বুঢ়া বাপেৰ সন্তুষ্ট নহয়। জনম দিয়া মাৰৰ পেটৰ পোৰণি নগুচে।"

(i) ৰাজমাৱে সুন্দৰক কি বুলি সম্বোধন কৰিছে ? [2]

(ii) সুন্দৰে মাতৃৰ বাক্য কি যুক্তিৰে খণ্ডন কৰিছে ? [2]

(iii) এই ক্ষেত্ৰত অনঙ্গই কেনে ভূমিকা পালন কৰিছে ? [3]

(iv) ইয়াৰ ঠিক পাছতেই ৰাজমাৱে চিঞৰি চিঞৰি লিগিৰীহঁতক মাতি পোনেই কি বুলি ককৰ্থনা কৰিলে ? [3]

## Question 16

**Read the extract given from the Drama and answer the questions that follow :—**

তোমাৰ পাঠ্যপুথি "কাৰেঙৰ লিগিৰী" নামৰ নাটকখিনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু তলত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখাঃ-

"ৰাজমাও - মৰিম, মই নাখাই নবই মৰিম। মোৰ পেটৰ পোৱালি হৈ তই মোক লাজত পেলাব খুঁজিছ। আজি বাদে কাইলৈ জোৰণ পিন্ধাব লাগিব --- তি এতিয়াও বিনা কাৰণত----

সুন্দৰ- কাৰণৰ কথা নকৰা। কাৰণৰ কথা তুমি কেতিয়াবা বুজিবলৈ চেষ্টা কৰিছানে ?

ৰাজমাও - কি কাৰণটোনো আছে ? কিছুমান অজতৰীয়া শাস্ত্ৰ গোটাই লৈ বৈৰাগী হব খুজিছ ?"

(i) ৰাজমাৱে কিয় ভাত-পানী নোখোৱাকৈ আছিল ? [2]

(ii) সুন্দৰ বিয়া পাতিবলৈ কোনো মান্তি কৰাইছিল ? তেওঁ কি কথাৰে সুন্দৰক বুজাইছিল ? [2]

(iii) অনিচ্ছা সত্ত্বেও সুদৰ্শনক বিবাহৰ মত দিয়াৰ পিছত সুন্দৰে অনঙ্গৰ আগত কি বুলি কৈছিল ? [3]

(iv) সুন্দৰ আৰু ৰাজমাৰৰ তৰ্ক বন্ধ কৰিবলৈ কোনে কেনেকৈ চেষ্টা কৰিছিল ? [3]



Downloaded From www.icseboard.org